**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-09-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***
**-------------------**

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্তসকলৰ সপক্ষে ঠিয় নিদিবলৈ সদৌ অসম উকীল সন্থাই ৰাজ্যৰ সকলো অধিবক্তাকে আহ্বান জনাইছে। এটা প্ৰেছ বিবৃতিৰ জৰিয়তে সদৌ অসম উকীল সন্থাৰ সভাপতি শৈলেন্দ্ৰ দাস, সাধাৰণ সম্পাদক দীপক কুমাৰ দাস, কাৰ্যকৰী সভাপতি মানস শৰণীয়া আৰু উপ-সভাপতি বিজন কুমাৰ মহাজনে এই আহ্বান জনাইছে। প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰা হৈছে যে, ৰাজ্যৰ বিভিন্ন পান্তত জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যুত জৰিতৰ সন্দেহত বহু কেইজনৰ বিৰুদ্ধে এজাহাৰ দাখিল হৈছে। ৰাজ্য চৰকাৰে গোচৰৰ তদন্তৰ বাবে তৎপৰতাৰ বিশেষ তদন্তকাৰী গোট এছ আই টি গঠন কৰিছে। অভিযুক্ত ব্যক্তিসকলে অগ্ৰিম জামিন বা জামিন বিচাৰি অধিক্তাসকলৰ ওচৰলৈ আইনী সাহায্যৰ বাবে আহিব পাৰে। এই প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে অধিবক্তা সমাজে, মহান শিল্পীগৰাকীৰ অস্বাভাৱিক মৃত্যুৰ সৈতে জড়িতসকলৰ সপক্ষে নৈতিক আৰু সামাজিক দায়বদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি সু-চিন্তিত ভাৱে সমাজৰ পক্ষত ঠিয় দিবলৈ অধিবক্তাসকলক আহ্বান জনোৱা হৈছে। সদৌ অসম অধিবক্ত সমাজৰ সাধাৰণ সম্পাদক দীপক কুমাৰ দাসে এইদৰে কয়–

(বাইট ঃ দীপক কুমাৰ দাস)

০০০০

জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত হোৱা মৃত্যুৰ ঘটনাৰ তদন্ত বিচাৰি ৰাজ্যৰ শিল্পী সমাজে আজি গুৱাহাটীৰ উলুবাৰীত থকা আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগৰ কাৰ্যালয়ত এখন এজাহাৰ দাখিল কৰে। শিল্পী সমাজৰ সভাপতি ডাঃ হিতেশ বৰুৱাৰ নেতৃত্বত অভিনেতা যতীন বৰা, ৰবি শৰ্মা, পৰিচালক শশাংক সমীৰকে ধৰি শিল্পী কলা-কুশলীসকলে অপৰাধ অনুসন্ধান বিভাগৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুধাকৰ সিঙক সাক্ষাৎ কৰি এজাহাৰ দাখিল কৰে। শিল্পী সমাজে ইয়াৰ জৰিয়তে নৰ্থ-ইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্ত, প্ৰয়াত জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাকে ধৰি ছিংগাপুৰৰ দুৰ্ভাগ্যজনক ঘটনাৰ সৈতে জড়িত থকা অন্যান্য সকলৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ আহ্বান জনায়। আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগৰ কাৰ্যালয়ৰ পৰা ওলাই আহি অভিনেতা যতীন বৰাই সংবাদ মাধ্যমৰ আগত জনোৱা অনুসৰি জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত অপৰাধ অনুসন্ধান বিভাগে সম্পূৰ্ণ সহযোগ কৰি শিল্পী সমাজৰ পৰা যোৱা সকলোৰে এজন এজনকৈ ভাষ্য গ্ৰহণ কৰিছে।

০০০০

ৰাজ্যৰ বিশিষ্ট সাহিত্যিক পূণ্য শইকীয়ালৈ ২০২৫ বৰ্ষৰ ড০ ময়িদুল ইছলাম বৰা সাহিত্য বঁটা আগবঢ়োৱা হৈছে। অসমৰ প্ৰথমগৰাকী ডক্টৰেট ড০ ময়িদুল ইছলাম বৰা স্মৃতি ৰক্ষা সমিতিয়ে প্ৰদান কৰি অহা এই বঁটা

শুকুৰবাৰে শিৱসাগৰ প্ৰেছ ক্লাবত অনুষ্ঠিত এটা অনুষ্ঠানত স্মৃতি ৰক্ষা সমিতিখনে সাহিত্যিক পূণ্য শইকীয়াক প্ৰদান কৰে। অনুষ্ঠানৰ আৰম্ভণিতে ড০ ময়িদুল ইছলাম বৰা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। অনুষ্ঠানটিত অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰি বক্তৃতা প্ৰদান কৰাৰ উপৰি পূণ্য শইকীয়াক ড০ ময়িদুল ইছলাম বৰা সাহিত্য বঁটাটি অৰ্পণ কৰে।

০০০০

শোণিতপুৰ জিলা আয়ুক্ত আনন্দ কুমাৰ দাসৰ সভাপতিত্বত জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত জিলা পথ সুৰক্ষা সমিতিৰ এখন সভাত আয়ুক্তগৰাকীয়ে দুৰ্গাপূজাৰ সময়ত মদ্যপান কৰি গাড়ী চলোৱা আৰু হেলমেট নিপিন্ধা দুচকীয়া বাহনৰ চালকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। আয়ুক্তগৰাকীয়ে উৎসৱৰ দিনসমূহত সুচাৰুৰূপে যান-বাহন ব্যৱস্থাপনা আৰু জনসুৰক্ষাৰ বাবে বিশেষ সঁহাৰি দল গঠন কৰিবলৈও নিৰ্দেশ দিয়ে। এই সভাতে জিলা আয়ুক্তগৰাকীয়ে জিলাখনৰ দুৰ্ঘটনা প্ৰবন স্থানসমূহত সতৰ্কতামূলক চিহ্ন স্থাপন, মোবাইল স্পীড ডিটেক্টৰ ভানৰ ব্যৱহাৰ বৃদ্ধি যুক্তি সংগতভাৱে স্পীড ব্ৰেকাৰ স্থাপন আৰু ফুটপাথৰ দখল আঁতৰোৱাৰ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে।

০০০০

যোৰহাট জিলা আয়ুক্ত জয় শিৱানীয়ে জিলাখনত ৰূপায়িত হৈ থকা বিভিন্ন আঁচনিৰ কাম কাজসমূহ খৰতকীয়াকৈ আৰু নিৰ্দিষ্ট সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। জিলাখনৰ বিভিন্নে বিভাগসমূহৰো অধীনত চলি থকা বিভিন্ন আঁচনিৰ আধৰুৱা কামসমূহ শীঘ্ৰে সম্পূৰ্ণ কৰাৰ লগতে আঁচনিসমূহৰ সফল ৰূপায়ণৰ ক্ষেত্ৰতো জিলা আয়ুক্ত গৰাকীয়ে প্ৰতিটো বিভাগৰ বিষয়াবৰ্গৰ দৃষ্টি আকৰ্ষণ কৰে। যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাগৃহত অনুষ্ঠিত জিলা উন্নয়ন সমিতিৰ মাহিলী বৈঠকত আয়ুক্তগৰাকীয়ে এই নিৰ্দেশ দিয়ে।

০০০০

বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আজিৰে পৰা পৰ্যটকৰ বাবে পুনৰ মুকলি কৰা হয়। ৰাষ্ট্ৰীয় উদ্যানখনৰ বাগৰি বনাঞ্চলত আজি পুৱা চাৰে ৭ বজাত জীপ ছাফাৰী আৰম্ভ হয়। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই দুৰ্গা পূজাৰ সময়ত পৰ্যটকৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ আগতীয়াকৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান মুকলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে আজি ৰাষ্ট্ৰীয় উদ্যানখন মুকলি কৰা হয়।

ইপিনে, কাজিৰঙাৰ কঁহৰা বনাঞ্চল অহা অক্টোবৰৰ দ্বিতীয় সপ্তাহত আৰু হাতী ছাফাৰী ১ নৱেম্বৰত মুকলি হোৱাৰ সম্ভাৱনা আছে বুলি উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। ৰাজ্যৰ অন্য এখন বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যান যোৱা বুধবাৰৰ পৰা পুনৰ পৰ্যটকৰ বাবে মুকলি কৰা হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃ ঃঃ ঃঃ ঃঃ ঃঃ